অসম বিধান সভা

তৰাযুক্ত প্ৰশ্ন নং : ৮

উত্তৰ দানৰ তাৰিখ : ০৬/০৭/২০২৬

*বিষয় :* **অসমীয়া জাতি সত্বাৰ স্বাভিমান থলুৱা গামোচাৰ সংৰক্ষণ আৰু প্ৰচাৰ প্ৰসাৰৰ সন্দৰ্ভত ।**

বিধায়কৰ নাম- শ্ৰী দীপক কুমাৰ দাস :

**প্ৰশ্ন**

মাননীয় হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

অসমীয়া জাতি সত্বাৰ স্বাভিমান আৰু সাংস্কৃতিক পৰিচয়ৰ প্ৰতীক থলুৱা গামোচাৰ সংৰক্ষণ আৰু প্ৰচাৰ-প্ৰসাৰৰ বাবে চৰকাৰে কোনো বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে নেকি? যদিহে কৰিছে, কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে?

**উত্তৰ**

মাননীয় হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী শ্ৰীযুত বিশ্বজিৎ দৈমাৰী মহোদয়ে উত্তৰ দিব:

অসমীয়া জাতি সত্বাৰ স্বাভিমান আৰু সাংস্কৃতিক পৰিচয়ৰ প্ৰতীক "অসমৰ গামোচা"ক ২০২২ চনৰ ১৩ ডিচেম্বৰত ভৌগোলিক সূচক (GI) স্বীকৃতি প্ৰদান কৰা হয়। ইয়াৰ ফলত গামোচায়ে আন্তঃৰাষ্ট্ৰীয় বজাৰত মৰ্যাদা লাভ কৰাৰ লগতে নকল বা অপব্যৱহাৰৰ বিৰুদ্ধে হস্ততাঁত সুৰক্ষা আইনসমূহৰ (GI Act,1999, Indian Handloom Brand, Handloom Mark আৰু Handloom Reservation Act-1985) ফলপ্ৰসূ  সুৰক্ষাও লাভ কৰিছে।

***********************************